# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

## Headlines

--------------------

১।	ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নৱনিৰ্বাচিত পাৰিষদসকলৰ শপতগ্ৰহণ।

২।	মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত উত্তৰ পূৰ্বাঞ্চলৰ অত্যাধুনিক ৰ'ব'টিক চাৰ্জাৰী ব্যৱস্থাৰ মুকলি।

৩।	পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলা প্ৰশাসনৰ প্ৰস্তুতি অব্যাহত।

৪।	ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ৰঙালী বিহুৰ ব্যাপক উৎসাহ-উদ্দীপনা।	**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ হাতত ৰাজস্থান ৰয়েলছ ৯ উইকেটত পৰাস্ত। আন এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ ডেলহী কেপিটেলছৰ মুখামুখি।

০০০০০

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নৱ নিৰ্বাচিত ৩৬ গৰাকী পাৰিষদে আজি দুধনৈত শপত গ্ৰহণ কৰে। দুধনৈৰ উদয়পুৰস্থিত সচিবালয়ৰ চৌহদত আজি বিয়লি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱাকে ধৰি ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী বিধায়কে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ৰাভা বীৰ পৰশুৰামৰ প্ৰতিমুৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীৰ উপস্থিতিত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে নৱ নিৰ্বাচিত পাৰিষদসকলক শপত বাক্য পাঠ কৰোৱায়। এই অনুষ্ঠানতে টংকেশ্বৰ ৰাভাই তৃতীয়বাৰৰ বাবে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। একেদৰে সোনাৰাম ৰাভাই অধ্যক্ষ আৰু অলকা ৰাভাই উপাধ্যক্ষ হিচাপে শপত লয়। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আজি এই অনুষ্ঠানত অংশ লৈ জনসাধাৰণৰ সহযোগিতাৰে চৰকাৰে ৰাভা জনগোষ্ঠীৰ লগতে অনান্য সম্প্ৰদায়সমূহৰ লোকসকলৰ আশা-আকাংক্ষা পূৰণ কৰাৰ লক্ষ্যৰে কাম কৰি যাব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে এইবাৰ গোৱালপাৰা জিলাত প্ৰায় ৭০ শতাংশ আৰু কামৰূপ জিলাত ৬৭ শতাংশৰো অধিক লোকে পৰিষদৰ নিৰ্বাচনত ভোটদান কৰিছিল। অনাগত দিনতো শান্তি সম্প্ৰীতিৰে পৰিষদৰ কাম-কাজৰ অগ্ৰগতি হব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ উন্নয়নৰ বাবে পৰিষদৰ সৈতে অসম চৰকাৰে সদায় কাম কৰি যাব বুলি তেঁও উল্লেখ কৰে।

**বাইট**

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৰাভাসকলৰ পৰাক্ৰমী ৰাজা বীৰ দদানৰ স্মৃতিত এটা প্ৰতিমুৰ্তি স্থাপনৰ কথা ঘোষণা কৰে। এই অনুষ্ঠানত ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল চৌহদৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত আজি ৰোগীৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো অত্যাধুনিক ৰ'ব'টিক চাৰ্জাৰী ব্যৱস্থা মুকলি কৰে। এই অস্ত্ৰোপচাৰ যন্ত্ৰটো কেন্দ্ৰীয় চৰকাৰৰ কৰ্কট ৰোগ প্ৰতিৰোধ নিয়ন্ত্ৰণৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী, কাৰ্দিঅ'ভাছকুলাৰ ডিজিজ এণ্ড ষ্ট্ৰোক আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে ১৪ কোটি ৯৯ লাখ টকা ব্যয়েৰে ক্ৰয় কৰিছে। এই অস্ত্ৰোপচাৰ নিখুত হোৱাৰ লগতে ইয়াৰ ফলত কৰ্কট ৰোগৰ উন্নত চিকিৎসা প্ৰদানত সুবিধা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমে উত্তৰ পূৱ ভাৰতৰ প্ৰথমটো ৰবটিক অস্ত্ৰোপচাৰ আৰম্ভ কৰি ৰঙালী বিহু উদযাপনৰ আৰম্ভণি কৰিছে।উজনি অসম আৰু বৰাক উপত্যকাৰ ৰোগীসকলৰ সুবিধাৰ্থে ডিব্ৰুগড় আৰু শিলচৰতো অনুৰূপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হব বুলি ড০ শৰ্মাই উল্লেখ কৰে। অসমৰ স্বাস্থ্য সেৱাৰ যাত্ৰাত এয়া এক বৃহৎ মাইলৰ খুটি বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই উচ্চ মানৰ চিকিৎসা প্ৰযুক্তি পৰিচালনা কৰাৰ বাবে প্ৰয়োজনীয় মানৱ সম্পদ সৃষ্টি কৰিবলৈ সমন্বিত পদক্ষেপ লোৱা হৈছে। চৰকাৰে ৰাজ্যৰ সকলো চিকিৎসালয়ত নাৰ্ছিং মহাবিদ্যালয় আৰম্ভ কৰাৰ পৰিকল্পনা লৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই মহাবিদ্যালয়সমূহত ইংৰাজী, জাপানী আৰু অন্য বিদেশী ভাষাৰ পাঠদান কৰা হব। আজিৰ অনুষ্ঠানত উদ্যোগ মন্ত্ৰী বিমল বৰা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

অসম গণ পৰিষদ দলে আজি গুৱাহাটীৰ আমবাৰীৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমেলত অসমবাসীলৈ ৰঙালী বিহুৰ ওলগ জনোৱাৰ লগতে পঞ্চায়ত নিৰ্বাচনক লৈ দলৰ প্ৰস্তুতি সন্দৰ্ভত প্ৰকাশ কৰে। দলটোৱে পঞ্চায়ত নিৰ্বাচনত এন ডি এৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াব বুলি দলৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই উল্লেখ কৰে। এই নিৰ্বাচনৰ পাছত হবলগীয়া ৩ খন স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে দলে কমিটি গঠন কৰি কাম-কাজ অব্যাহত ৰখা বুলি সভাপতি শ্ৰীবৰাই প্ৰকাশ কৰে।

ooooo

অহা ২ আৰু ৭ মে'ত হবলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। নগাওঁ জিলাৰ আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে আজি জিলাখনৰ নগাওঁ চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু নগাওঁ চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ত উপস্থইত হৈ বিদ্যালয় দুখনত স্থাপন হবলগীয়া ষ্ট্ৰং ৰূম আৰু গণনা কক্ষৰ স্থান পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনী প্ৰক্ৰিয়া শৃংখলিতভাৱে সম্পন্ন কৰাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁ নগাওঁ চহৰৰ নেহৰুৱালী খেলপথাৰত স্থাপন হ'বলগীয়া পৰিবহন কোষৰ স্থানসমূহ পৰিদৰ্শন কৰে। জিলাখনত নিৰ্বাচনৰ বাবে ৫ গৰাকী সাধাৰণ পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। তেওঁলোকে নিৰ্বাচনৰ বাবে গঠন কৰা প্ৰতিটো কোষৰ ভাৰপ্ৰাপ্ত বিষয়াৰ পৰা নিৰ্বাচনৰ প্ৰস্তুতি আৰু কাম-কাজৰ বুজ লৈছে। আজি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নৰেন্দ্ৰ কুমাৰ শ্বাহৰ অধ্যক্ষতাত এই উপলক্ষে এখন বৈঠক অনুষ্ঠিত হয়।

ডিব্ৰুগড় জিলাত এই নিৰ্বাচন স্বচ্ছ আৰু নিকাকৈ অনুষ্ঠিত কৰিবৈ ৰাজ্যিক নিৰ্বাচন আয়োগে জিলাখনত ৫ গৰাকী সাধাৰণ পৰ্যবেক্ষক নিয়োগ কৰিছে। ইয়াৰে ৪ গৰাকী পৰ্যবেক্ষকে জিলাখনত উপস্থিত হৈ বিভিন্ন কোষৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ নিৰ্বাচনী কাম কাজৰ অগ্ৰগতিৰ বুজ লয়। সাধাৰণ পৰ্যবেক্ষকক নিৰ্বাচন সংক্ৰান্তীয় ওজৰ আপত্তি দাখিলৰ বাবে যোগাযোগৰ নম্বৰো মুকলি কৰা হৈছে।

জিলাখনত প্ৰথম পৰ্যায়ত হ্বলগীয়া নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়নৰ পৰীক্ষণ সমাপ্ত হৈছে। পৰীক্ষণৰ অন্তত ২২ খন জিলা পৰিষদৰ সদস্য পদৰ বাবে ৫৫ গৰাকী, ৭ খন আঞ্চলিক পঞ্চায়তৰ বাবে ২২১ গৰাকী, ৯৩ খন গাওঁ পঞ্চায়তৰ ৯৩০ টা ৱাৰ্ড সদস্যৰ বাবে ২ হেজাৰ ২৯০ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে। এই নিৰ্বাচনৰ বাবে জিলাখনত ৫২ গৰাকী চেক্টৰ বিষয়া, আৰু ২২ গৰাকী জনেল বিষয়া নিয়োগ কৰাৰ উপৰি এহেজাৰ ১৬৫ গৰাকী প্ৰিজাইডিং আৰু ৪ হাজাৰ ৬৬০ গৰাকী পোলিং বিষয়া নিয়োগ কৰা হ'ব। মুঠ এহেজাৰ ১৬৫ টা ভোটগ্ৰহণ কেন্দ্ৰত হ'বলগীয়া ভোটগ্ৰহণত ৮ লাখ ৭১ হাজাৰ ৯৭৫ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

যোৰহাট জিলাত আজি আয়ুক্ত জয় শিৱানিয়ে নিৰ্বাচনৰ ষ্ট্ৰং ৰুম স্থাপন কৰিবলগীয়া স্থান পৰিদৰ্শন কৰি যাৱতীয় দিশসমূহৰ বুজ লয়।

ইপিনে, পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে কেইবাগৰাকীও প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪ খন জিলা পৰিষদৰ ৩ গৰাকী প্ৰাৰ্থী আৰু ১৩৯টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ২৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। গোলাঘাট দক্ষিণ আঞ্চলিক পঞ্চায়তৰ বিজেপি-অগপ মিত্ৰজোঁটৰ ৭ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। সৰুপথাৰ সম-জিলাৰ মুঠ ২১ খন গাঁও পঞ্চায়তৰ পৰা ২১০ টা ৱাৰ্ড সদস্যৰ নিৰ্বাচন হ'ব। ইয়াৰে ২৫ গৰাকী ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

কোনো প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব বিচাৰিলে ১৭ এপ্ৰিলৰ বিয়লিৰ ৩ বজাৰ ভিতৰত আবেদন কৰিব লাগিব। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

ooooo

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। কামৰূপ জিলাৰ বকো, ছয়গাঁও, হাজো, কমলপুৰ, উত্তৰ গুৱাহাটী, বাইহাটা চাৰিআলি, ৰঙিয়া আদিৰ ঠাইৰ প্ৰতিখন বজাৰত গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হোৱাৰ লগতে বিভিন্ন স্থানত গামোচাৰ বিপণীৰ লগতে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু শ্বপিংমলসমূহত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ দেখা গৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই কাইলৈ জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে কাইলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এইবেলি বিহু উদ্‌যাপন সমিতিৰ সৰ্বোচ্চ সন্মান ডঃ ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব।

অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীয়ে অনাদিকালৰে পৰা বিহু পালন কৰি আহিছে। বাপতিসাহোন বিহুটি ডিমাছা, মৰাণ, মিছিং আৰু তিৱা সকলেনো কেনেকৈ পালন কৰে এই বিষয়ে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আকাশবাণী গুৱাহাটী সংবাদ চলন্তিকাত শুনিবলৈ পাব। আমাৰ ডিমা হাচাও, তিনিচুকীয়া, ধেমাজি আৰু মৰিগাঁও জিলাৰ সংবাদ দাতাসকলৰ প্ৰতিবেদনৰ আধাৰত এই বিশেষ সংবাদ চলন্তিকা যুগুতাইছে ৰাজীৱ লোচন বৰঠাকুৰে।

রাজ্যৰ বিশিষ্ট বুদ্ধিজীৱি, সাহিত্যিক, মিতভাষৰ স্রষ্টা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়াই আজি তেখেতৰ বাসগৃহ **বৰ্ণমালাত** কেইবাগৰাকীও শুভাকাংশীয়ে শুভেচ্ছা জনায়। বৰেণ্য সাহিত্যিকগৰাকীয়ে অসমবাসী ৰাইজলৈ ৰঙালী বিহু আৰু অসমীয়া নৱবৰ্ষৰ ওলগ জনাই আটাইৰে কুশল-মংগল কামনা কৰে। তেওঁ পূৰ্বৰ তিক্ত অভিজ্ঞতা পাহৰি নতুন মাত্ৰা আৰু যাত্ৰাৰে নিজৰ লগতে সমাজৰ নিস্বাৰ্থভাৱে সেৱা আগবঢ়াই অসমক এখন সমৃদ্ধশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

হোজাই জিলাৰ কাকীত ছগৰাকী শিক্ষকৰে গঠিত দিনবন্ধু নামৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ জৰিয়তে ঠাইখনৰ তিনিগৰাকী ব্যক্তিক আজি বিহুৱান, খাদ্য-সামগ্ৰী আৰু আৰ্থিক সাহায্য প্ৰদান কৰে। নিজাববীয়া প্ৰচেষ্টাৰে বিগত কেইবাবছৰ ধৰি এই সংগঠনটোৱে বিহুৰ সৈতে সংগতি ৰাখি আৰ্থিকভাৱে দুৰ্বল, শাৰীৰিকভাৱে অক্ষম, দৰিদ্ৰ তথা ৰোগগ্ৰস্ত লোকক সহায় কৰি আহিছে। জিলাখনৰ আয়ুক্ত কাৰ্যালয়তো প্ৰতিটো বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে মিলি আজি গীত-মাতৰ অনুষ্ঠানৰ আয়োজন কৰে। নিৰ্বাচনৰ ব্যস্ততাৰ বাবে পৰিয়ালৰ পৰা আঁতৰি থাকিবলগীয়া হোৱা সকলৰ বাবে বিহু উদযাপনৰ এই প্ৰচেষ্টা হাতত লোৱা বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

নগাঁও জিলাতো ৰঙালী বিহুৰ প্ৰস্তুতি অব্যাহত আছে। জিলাখনত বিহু উদযাপন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া—

**ভইচ (মুনীন্দ্ৰ শইকীয়া)**

চিৰাং জিলাৰ বিজনী ৰঙালী বিহু উদযাপন সমন্বয় সমিতিৰ উদ্যোগত কাইলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ৰঙালী বিহু উদযাপন কৰিবলৈ লোৱা হৈছে। ইয়াৰ সৈতে সংগতি ৰাখি ইতিমধ্যে দুটা পৰ্যায়ত বিহু নাচৰ কৰ্মশালা অনুষ্ঠিত হৈ যায় বুলি উদোক্তাসকলে জানিবলৈ দিছে।

০০০০০

কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত কালিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত দ্বাদশ বাওখুংগ্ৰী মহোৎসৱৰ আজি দ্বিতীয় দিনা বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।......... **বাগৰুম্বা (চং)**

বিটিআৰৰ পৰ্যটন বিভাগে কালি চাইক্লিং প্ৰতিযোগিতাৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰিছিল। ৩ দিনীয়া এই মহোৎসৱৰ অংশ হিচাপে পাহাৰ বগোৱা, চাইক্লিং, পেৰাগ্লাইদিং, এয়াৰ বেলুন উৰুৱা, খাদ্য মহোৎসৱ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে বড়ো জনগোষ্ঠীৰ নৱবৰ্ষৰ উৎসৱ বৈশাগু বা ৰঙালী বিহুৰ পূৰ্বে জনগোষ্ঠীটোৱে এই বাওখুংগ্ৰী পাহাৰ বগোৱা উৎসৱৰ আয়োজন কৰে। পৰম্পৰাগত বিশ্বাস অনুসৰি এই পাহাৰ বগাই শীৰ্ষলৈ গৈ ইষ্ট দেৱতাৰ আৰাধনা কৰাৰ দ্বাৰা বছৰটোলৈ অসুখ, অশান্তি, আৰু দূৰ্ভাগ্য নাশ হয়। ২০১৩ চনৰ পৰা বিটিচিৰ পৰ্যটন বিভাগে এই উৎসৱৰ আয়োজন কৰি ইয়াৰ অংশ হিচাপে দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

০০০০০

শিলচৰত ৱক্‌ফ আইন বাতিলৰ দাবীত শতাধিক লোকে আজি প্ৰতিবাদ সাব্যস্ত কৰিছে। শিলচৰৰ বেৰেঙ্গা নতুন ৰোড পইণ্টত আজি মুছলমান সম্প্ৰদায়ৰ বহু লোকে সমদল উলিয়াই এই আইনৰ বিৰোধিতা কৰে। এই প্ৰতিবাদ সন্দৰ্ভত কাছাৰ আৰক্ষীয়ে প্ৰকাশ কৰা মতে প্ৰতিবাদীসকলে এইক্ষেত্ৰত আগতীয়াকৈ

কোনোধৰণৰ অনুমতি লোৱা নাই আৰু ঠাইখনৰ শান্তি শৃংখলাত ব্যাঘাত জন্মাইছে। এইক্ষেত্ৰত আৰক্ষীয়ে যাৱতীয় ব্যৱস্থা ল'ব বুলিও আৰক্ষীৰ সূত্ৰই জানিবলৈ দিয়ে।

ooooo

বিশিষ্ট চিন্তাবিদ, সাহিত্যিক, অনুবাদক, সাংবাদিক তথা লেখক অসমৰ আগশাৰীৰ ছপাশাল ভৱানী অফছেটৰ সঞ্চালক অঞ্জন শৰ্মালৈ ২০২৫ বৰ্ষৰ পাঠশালা বঁটা আগবঢ়োৱা হৈছে। পাঠশালা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত প্ৰতিবছৰৰ দৰে এইবাৰো উদযাপন কৰিলগীয়া মুকলি বিহু আৰু বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানত অহা পহিলা ব'হাগত শৰ্মালৈ এই বঁটা আগবঢ়োৱা হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুয়ে-ৰাজস্থান ৰয়েলছক ৯ টা উইকেটত পৰাস্ত কৰে। খেলখনত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে টছত জিকি প্ৰথমে ৰাজস্থান ৰয়েলছক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। ৰাজস্থান ৰয়েলছে জয়ৰ বাবে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক ১৭৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল।

ইপিনে আই পি এলৰ আন এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

বজালী জিলাৰ পাঠশালাৰ ওচৰৰ গাড়িসত্ৰত আজি এটা সাতোৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। অসম সাঁতোৰ সন্থাৰ সম্পাদক তথা ছুইমিং ফেডাৰেশ্বন অৱ ইণ্ডিয়াৰ উপ সভাপতি ভাস্কৰ দাসে বজালীৰ বিশিষ্ট সমাজকৰ্মী তথা বজালী সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰৰ সভাপতি মনোজ শৰ্মাৰ তত্বাৱধানত প্ৰাকৃতিক পৰিবেশৰ মাজত নিৰ্মাণ কৰা এই সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰটো ২০২৫-২৬ বৰ্ষৰ বাবে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ৰাষ্ট্ৰীয় পৰ্যায়ত সাঁতোৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সুনাম অৰ্জন কৰা কিশোৰী সাতোৰবিদ গংগোত্ৰী দেৱচৌধুৰী, কুৱলি দত্ত, স্নেহা দাস, গীতম দাস আৰু পৌলমী দাসক সম্বৰ্ধনা জনোৱা হয়। কেইবাগৰাকীও সাতোৰ প্ৰশিক্ষক আৰু বিশিষ্ট ব্যক্তিয়ে অনুষ্ঠানটোত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক সাতোৰ প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে বক্তব্য আগবঢ়ায়।

ooooo

সমাপ্ত